NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। অসমত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ ব্যাপক প্ৰস্তুতি চলাইছে। আজি বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব।

২। টি ভি কেৰ মুৰব্বী চি যোছেফ বিজয়ে আজি তামিলনাডুৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটক আৰু তেলেংগানা ভ্ৰমণ কৰিব।

৪। কেন্দ্ৰীয় চৰকাৰে আউটছৰ্চড আৰু ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ সুৰক্ষা বৃদ্ধিৰ উদ্দেশ্যে শ্ৰম সংহিতা ৰূপায়ণৰ লক্ষ্যৰে নতুন নীতি নিৰ্দেশনা জাৰি কৰিছে।

*আৰু*

৫। আই পি ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৭৭ ৰানত পৰাস্ত কৰে।

ooooo

অসমত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আজি পুৱা ৯ বজাত বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত কেন্দ্ৰীয় পৰ্যৱেক্ষক জে পি নাড্ডা আৰু সহকাৰী পৰ্যৱেক্ষক নায়াব সিং চাইনীৰ উপস্থিতিত বিধায়িনী দলৰ নেতা বাচনি কৰা হ'ব। ইয়াৰ পাছত একেটা স্থানত এন ডি এৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত এন ডি এৰ বিধায়িনী দলৰ নেতা বাচনি কৰা হ'ব। বৈঠকৰ অন্তত এন ডি এৰ বিধায়িনী দলে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰিব আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপ কৰিব।

নতুন চৰকাৰে পৰহিলৈ আনুষ্ঠানিকভাৱে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থকাৰ কথা।

ooooo

টি ভি কেৰ মুৰব্বী চি যোছেফ বিজয়ে আজি পুৱা ১০ বজাত তামিলনাডুৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। চেন্নাইত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীবিজয়ৰ সৈতে অন্য ৯ গৰাকী মন্ত্ৰীয়ে শপত ল'ব। তামিলনাডুত ২৩৪ জনীয়া বিধানত সভাত ১২০ গৰাকী বিয়াকৰ সমৰ্থন লাভ কৰাৰ পাছত কালি ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে শ্ৰীবিজয়ক মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। লোকভৱনৰ তৰফৰ পৰা জাৰী কৰা

প্ৰেছ্ বিজ্ঞপ্তি অনুসৰি ৰাজ্যপালে শ্ৰীবিজয়ক ১৩ মে বা ইয়াৰ পূৰ্বে বিধানসভাত আস্থাৰ ভোট বিচাৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটক আৰু তেলেংগানা ভ্ৰমণ কৰিব। দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰী মোদীয়ে বাংগালুৰুৰ আৰ্ট অব্ লিভিং প্ৰতিষ্ঠানৰ ৪৫ সংখ্যক বাৰ্ষিকী উদযাপন কৰাৰ লগতে আৰ্ট অব্ লিভিং আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত নকৈ নিৰ্মাণ কৰি উলিওৱা ধ্যান মন্দিৰ উন্মোচন কৰিব।

ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰীগৰাকী হায়দৰাবাদলৈ ৰাওনা হ'ব আৰু তাত তেওঁ বিয়লি কেইবা কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বহুমুখী উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে নিৰ্মাণ সম্পূৰ্ণ হোৱা কেইবাটাও প্ৰকল্পৰ উন্মোচন কৰিব। শ্ৰীমোদীয়ে হায়দৰাবাদ- পানাজী অৰ্থনৈতিক কৰিডৰৰ বাবে গুডেবেলুৰৰ পৰা মেহবুব নগৰলৈ নিৰ্মাণ কৰিবলগীয়া চাৰিলেনযুক্ত ১৬৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পটোত ৩ হাজাৰ ১৭৫ কোটি ব্যয় ধাৰ্য কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ওৱাংগলত  প্ৰধানমন্ত্ৰী মিত্ৰ আঁচনিৰ অধীনত নিৰ্মাণ কৰি উলিওৱা কাকাতিয়া মেগা বস্ত্ৰ উদ্যান ৰূপে পৰিচিত পি এম মিত্ৰ উদ্যান উদ্বোধন কৰিব। দেশৰ স্বাস্থ্যখণ্ডৰ শক্তিশালী আন্তঃগাঁথনিৰ অন্যতম নিদৰ্শন হায়দৰাবাদৰ সিন্দু চিকিৎসালয়, ৰাজ্যিক কলা কেন্দ্ৰ আদি প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাইজৰ নামত উৎসৰ্গা কৰিব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে শ্ৰম সংহিতাৰ বাবে নতুন নীতি নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ অধীনত বিভিন্ন মন্ত্ৰ্যালয়, বিভাগ, স্বায়ত্ত শাসিত নিকায় আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহত কৰ্মৰত আউটছৰ্চড অৰ্থাৎ বাহিৰা প্ৰতিষ্ঠানৰ জৰিয়তে নিয়োজিত কৰ্মচাৰী আৰু ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ সুৰক্ষা বৃদ্ধি পাব। শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, সময় মতে বেতন আদায়, ভৱিষ্যনিধি আৰু ৰাজ্যিক কৰ্মচাৰী বীমাৰ দৰে সামাজিক সুৰক্ষা আঁচনিসমূহৰ বাবে বৰঙণি ধন বাধ্যতামূলকভাৱে জমা কৰা, ঠিকাদাৰ আৰু মূল নিয়োগকৰ্তাৰ উত্তৰ দায়িত্ব বৃদ্ধি আৰু শ্ৰম আইন উলংঘা কৰাসকলৰ বিৰুদ্ধে শক্তিশালী আইনী ব্যৱস্থা নিশ্চিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। এই পদক্ষেপৰ ফলত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বেতন  আৰু ন্যায্য বকেয়া আদায়ৰ ক্ষেত্ৰত হোৱা বিলম্ব ৰোধ কৰিব পৰা যাব। নতুন নিয়মাৱলীত সময়মতে বেতন আৰু সামাজিক সুৰক্ষা বিষয়ক আঁচনিৰ বৰঙণিৰ অংশ আদায় দিয়াৰ নিয়ম উলংঘা কৰাৰ কোম্পানীসকলৰ বিৰুদ্ধে প্ৰতিবন্ধকতা আৰোপ আৰু কঠোৰ শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি দৈনিক বেতন শ্বিফ্‌ট শেষ হোৱাৰ পাছত সাপ্তাহিক বেতন সাপ্তাহিক ছুটীৰ পূৰ্বে আৰু মাহিলী বেতন পৰৱৰ্তী মাহৰ ৭ দিনৰ ভিতৰত আদায় দিব লাগিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি এম ৰংগস্বামীক পুডুচেৰীৰ মুখ্যমন্ত্ৰী হিচাপে নিয়োগ কৰে। ইয়াৰ পাছতে পুডুচেৰীৰ উপ ৰাজ্যপাল কে. কৈলাশনাথনে ৰংগস্বামীক কেন্দ্ৰীয় শাসিত অঞ্চলটোত নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। শ্ৰীৰংগস্বামীয়ে ১৩ মে'ত মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। তেওঁ এইবাৰ পঞ্চমবাৰৰ বাবে মুখ্যমন্ত্ৰী পদত অধিস্থিত হ'ব। এ আই এন আৰ চিৰ নেতৃত্বৰ এন ডি এ যোৱা ৯ এপ্ৰিলত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত সংখ্যা গৰিষ্ঠতা অৰ্জন কৰিছিল।

০০০০০

কেৰলমত চৰকাৰ গঠনৰ বাবে নতুন দিল্লীত কালি কংগ্ৰেছৰ উচ্চ নেতৃত্বৰ এখন বৈঠক অনুষ্ঠিত হয়। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসভৱনত হোৱা এই বৈঠকত দলৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী, ৰাজ্যিক সাধাৰণ সম্পাদক দীপা দাসমুন্সি, সাধাৰণ সম্পাদক কে চি বেণুগোপাল আৰু কেৰলমৰ জ্যেষ্ঠ নেতা ৰমেশ চেন্নিথালা আৰু ভি ডি সাথিসেন উপস্থিত থাকে। দলৰ এটা সূত্ৰই জনোৱা মতে, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীয়ে  চূড়ান্ত আলোচনাৰ পাছত কেৰলমৰ নতুন মুখ্যমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰীসকলৰ নাম অতি শীঘ্ৰে ঘোষণা কৰিব।

ooooo

গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ ৭৫ সংখ্যক বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি মন্দিৰ চৌহদত পাঁচদিনীয়াকৈ **সোমনাথ অমৃত পৰ্ব ২০২৬** শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শুকুৰবাৰৰ পৰা অনুষ্ঠিত এই কাৰ্যসূচীত সোমনাথ মন্দিৰৰ ঐতিহাসিক গুৰুত্বৰ প্ৰতি আলোকপাত কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত যোগ দিয়াৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ মন্দিৰটোলৈ যাব। উল্লেখযোগ্য যে, চলিত বছৰৰ আৰম্ভনিতে সোমনাথ মন্দিৰত আয়োজিত সোমনাথ স্বাভিমান পৰ্বত প্ৰধানমন্ত্ৰী মোদীয়ে অংশগ্ৰহণ কৰিছিল। এই মন্দিৰত হোৱা প্ৰথম আক্ৰমণৰ এহেজাৰ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই পৰ্বৰ আয়োজন কৰা হৈছিল। ১০২৬ চনত সংঘটিত এই আক্ৰমণৰ ঘটনাটোৰ লগতে ১৯৫১ চনত দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ডং ৰাজেন্দ্ৰপ্ৰসাদে মন্দিৰটো পুনৰ মুকলি কৰি দেশবাসীৰ প্ৰতি উচৰ্গা কৰা কাৰ্যৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে এই অমৃত পৰ্ব অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ্ জয়শংকৰে কালি ত্ৰিনীডাড আৰু তবাগ'ৰ প্ৰধানমন্ত্ৰী কমলাপ্ৰসাদ বিশ্বেশ্বৰ সৈতে নেলচন দ্বীপ পৰিদৰ্শন কৰে। ত্ৰিনীডাড আৰু তবাগ'ত থকা নেলছন দ্বীপ হৈছে ভাৰতীয় গিৰমিতীয়া শ্ৰমিকসকল প্ৰথম পদাৰ্পণ কৰা ঠাই। ডং জয়শংকৰে ডং কমলাপ্ৰসাদ বিশ্বেশ্বৰৰ সৈতে নেলচন দ্বীপত এটা প্ৰকল্পত অংশ লয়। এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পটোত ভাৰতে সাহায্য প্ৰদান কৰিছে।

ooooo

প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা DRDO-ই হায়দৰাবাদত  শব্দতকৈ বেগী বিমান বা মিছাইল ইঞ্জিনৰ মূল অংশস্বৰূপ স্ক্ৰেক্ৰমজেট কম্বাষ্টৰ পৰীক্ষা সফলতাৰে সম্পূৰ্ণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, পৰীক্ষাৰ সময়ত এহেজাৰ ২০০ ছেকেণ্ডৰো অধিক ৰান টাইম অৰ্থাৎ সক্ৰিয়ভাৱে কাম কৰি থকা সময়ৰ লক্ষ্যত উপনীত হ'ব পৰা যায়। এই ৰান টাইম যোৱা জানুৱাৰীত কৰা পৰীক্ষাৰ সময়ত অৰ্জন কৰা ৭০০ ছেকেণ্ডৰ ৰান টাইমতকৈ  অধিক। এই পৰীক্ষাৰ সফলতাৰ ফলত উন্নত আকাশ ক্ষেত্ৰ সামৰ্থক আৰু নিত্য নতুন সমৰ প্ৰযুক্তিৰ অগ্ৰণী দেশসমূহৰ ভিতৰত ভাৰতৰো নাম অন্তৰ্ভুক্ত হ'ল।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই পৰীক্ষাৰ বাবে DRDO-ক ভূয়ষী প্ৰশংসা কৰিছে।

ooooo

আই পি ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৭৭ ৰানত পৰাস্ত কৰে। খেলখনত গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ২২৯ ৰান কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৬ অভাৰ আৰু

৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ ৪টা উইকেট দখল কৰা ৰাছিদ খানক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰায়পুৰত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

০০০০০

**সমাপ্ত**